
# খবৰনামা


# ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয় খবৰ

দ্বিতীয় প্ৰকাশ, জুন, ২০০৭ চন

সম্পাদক - সোমনাথ বৰা



মহাবিদ্যালয়ৰ মুখ্য প্ৰৱেশদ্বাৰ



ড° বিৰিঞ্চি কুমাৰ বৰুৱা স্মাৰক বক্তৃতা প্ৰদান কৰিছে ড° নগেন শইকীয়াদেৱে

## অধ্যক্ষৰ একাষাৰ

ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ তৰফৰ পৰা প্ৰকাশ কৰা 'খবৰনামা'ৰ এইটো দ্বিতীয় সংখ্যা। সম্পাদক শ্ৰীসোমনাথ বৰাৰ প্ৰচেষ্টাত প্ৰকাশ পোৱা 'খবৰনামা'ই মহাবিদ্যালয়ৰ বিভিন্ন দিশত আলোকপাত কৰাৰ প্ৰয়াস কৰিছে। দুকুৰি বছৰ সম্পূৰ্ণ কৰা মহাবিদ্যালয়খনে বৃহত্তৰ পুৰণিগুদাম অঞ্চলত উচ্চ শিক্ষা সম্প্ৰসাৰণত এক উল্লেখযোগ্য ভূমিকা লৈ আহিছে। ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ লগতে বৃত্তিমুখী শিক্ষাৰ প্ৰৱৰ্ত্তনৰ ক্ষেত্ৰতো পদক্ষেপ গ্ৰহণ কৰিছে। কম্পিউটাৰ ডিপ্লোমা কোৰ্চৰ উপৰি ২০০৭-০৮ শিক্ষাবৰ্ষৰপৰা Fashion,Taxtile and Interior Designingৰ এবছৰীয়া চাৰ্টিফিকেট কোৰ্চ আৰম্ভ কৰা হৈছে। Women Hostel'ৰ কাম প্ৰায় সম্পূৰ্ণ কৰা হৈছে। ভৱিষ্যতে মহাবিদ্যালয়ে ন ন পদক্ষেপ লোৱাৰ প্ৰয়াস অব্যাহত ৰাখিছে। নতুন শিক্ষাবৰ্ষৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ শুভেচ্ছা থাকিল।

## সম্পাদকীয়

বৃহত্তৰ পুৰণিগুদাম অঞ্চলত উচ্চতৰ মাধ্যমিক স্তৰৰ পৰা স্নাতক পৰ্যায়লৈকে অধ্যয়নৰ সুবিধা থকা একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ পৰা দ্বিতীয় বাৰৰ বাবে 'খবৰনামা' প্ৰকাশ কৰি ছাত্ৰ-ছাত্ৰীৰ জৰিয়তে মহাবিদ্যালয়খনৰ বৰ্তমানৰ ছবি এখন অঞ্চলৰ ৰাইজৰ আগত দাঙি ধৰিব খুজিছোঁ। বিগত বৰ্ষত গ্ৰহণ কৰা পৰিকল্পনাৰ কিমানখিনি কাৰ্যকৰী হ'ল আৰু অন্যান্য দিশত শিক্ষানুষ্ঠানটি কেনেদৰে আগবাঢ়িছে তাৰ ছবি এখন খবৰনামাৰ জৰিয়তে স্পষ্ট হৈ উঠিব বুলি আমি আশা কৰিছোঁ।

※ চকুৰ পলকতে মহাবিদ্যালয়খন ※

※ মহাবিদ্যালয়ৰ নাম আৰু ঠিকনা ঃ-

## ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়

স্থাপিত - ১৯৬৭ চনৰ জুলাই মাহ

ডাক - পুৰণিগুদাম

জিলা - নগাঁও (অসম) ঃ ডাক - সূচাংক - ৭৮২১৪১

দূৰভাষ - ০৩৬৭২-২৮১৬২৭

ই-মেইল **bkb college @hot mail. com**

✱ গুৱাহাটী বিশ্ববিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ (গুৱাহাটী)ৰ অন্তৰ্ভূক্ত

✱ *ইউ. জি. চি পঞ্জীয়ন কাল ঃ-*
৪ জানুৱাৰি ১৯৯৩ চন

✱ *পাঠদান শাখা ঃ কলা*

✱ *ছাত্ৰ-ছাত্ৰীৰ সংখ্যা (২০০৬-০৭)*

(ক) উচ্চতৰ মাধ্যমিক ঃ ১০৩ জন

(খ) স্নাতক মহলা ঃ ৪২৫ জন

✱ *অনুমোদিত শিক্ষকৰ পদ ঃ ২৪ টা*

✱ *শিক্ষকৰ সংখ্যা*

(ক) অনুমোদিত ঃ ২৩ জন

(খ) অনানুমোদিত ঃ ২ জন

✱ *অনুমোদিত অনা শিক্ষক-কৰ্মচাৰীৰ পদ ঃ ৯ টা*

✱ *অনুমোদিত অনা শিক্ষক কৰ্মচাৰীৰ সংখ্যা ৬ জন*

✱ *অনানুমোদিত অনা-শিক্ষক-কৰ্মচাৰীৰ সংখ্যা ৫ জন*

*মহাবিদ্যালয়ত শিক্ষাদান কৰা বিষয়সমূহ*

১) অসমীয়া। ২) উচ্চ অসমীয়া (উঃ মাঃ শ্ৰেণীৰ বাবে)। ৩) ঐচ্ছিক অসমীয়া (স্নাতক মহলাৰ বাবে) ৪) ইংৰাজী। ৫) অৰ্থনীতি, ৬) ৰাজনীতি বিজ্ঞান, ৭) শিক্ষা, ৮) বুৰঞ্জী, ৯) ভূগোল, ১০) পৰিবেশ বিজ্ঞান।

ইয়াৰ উপৰি মহাবিদ্যালয়ত Post Graduate Correspondence School খোলা হৈছে। স্নাতক পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীয়ে বিষয়ভেদে মুঠ দহহাজাৰ বা বাৰহাজাৰ টকাৰ ফীজেৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ পাঠ্যক্ৰমৰ স্নাতকোত্তৰ মহলাত অধ্যয়ন কৰা আৰু পৰীক্ষা দিয়াৰ সুবিধা ল'ব পাৰে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মাহেকীয়া ফীজ দি Computer Course ৰ Diploma ল'ব পাৰিব। বৃত্তিমুখী শিক্ষাৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি এইবছৰৰ পৰা বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যেৰে মহাবিদ্যালয়ত 'Fashion, Textile and Interior Designing' ৰ এবছৰীয়া পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে। উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীয়ে বিষয়টো অধ্যয়ন কৰিবলৈ সুবিধা পাব।

### ছাত্ৰ-ছাত্ৰীৰ বাবে গ্ৰহণ কৰা কাৰ্যব্যৱস্থা

বিগত শিক্ষাবৰ্ষত মহাবিদ্যালয়ৰ দৰিদ্ৰ ছাত্ৰনিধিৰ পৰা চৌত্ৰিশজন দুখীয়া ছাত্ৰ-ছাত্ৰীক গাইপতি চাৰিশ টকাকৈ আৰ্থিক সাহায্য আগবঢ়োৱা হয়। মহাবিদ্যালয়ৰ অধ্যাপিকা শ্ৰীযুতা মামনি শইকীয়াই প্ৰয়াত অধ্যাপক নিৰোদ প্ৰসাদ মহান্তিৰ সোঁৱৰণত স্নাতক মহলত সৰ্বোচ্চ নম্বৰ পাই উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ/ছাত্ৰীক এহাজাৰ টকাৰ বৃত্তি আগবঢ়ায়। এইবাৰ বুকবেঙ্কত অধিক কিতাপ ৰখা হৈছে। মহাবিদ্যালয়ৰ পুথিভঁৰালৰ পৰা সাময়িকভাৱে কিতাপ নিয়া, অধ্যয়নকক্ষত অধ্যয়ন কৰাৰ সুবিধা, তিনিখন প্ৰাচীৰ পত্ৰিকা আৰু এখন বছেৰেকীয়া আলোচনীত বৌদ্ধিক, সাহিত্যিক চিন্তা প্ৰকাশৰ

সুবিধা আছে। স্নাতক পর্যায়ৰ সকলো বিষয়ত 'মেজৰ' পাঠ্যক্রম আছে। Remedial class ৰ জৰিয়তে ছাত্র-ছাত্রীক পৰীক্ষাৰ বাবে সাজু কৰোৱা হয়। ছাত্র জিৰণি কোঠা, ছাত্রী জিৰণি কোঠা, খোৱাপানী, শৌচাগাৰ, চাইকেল ষ্টেণ্ড, খেলপথাৰ আদিৰ সুব্যৱস্থা আছে। সৰস্বতী পূজা, ফাতেহা-দোৱাজ-ই দহম, শঙ্কৰদেৱৰ তিথি মহাবিদ্যালয়ত পালন কৰা হয়। গণতান্ত্রিক পদ্ধতিৰে ছাত্র একতা সভাৰ প্রতিনিধি নির্বাচন কৰা হয়। মহাবিদ্যালয় সপ্তাহ সমাৰোহত ছাত্র-ছাত্রীসকলে নিজা ক্ষেত্রত প্রতিভা প্রকাশ কৰাৰ বাট মুকলি হৈ থাকে।

## বিগত বৰ্ষৰ (২০০৬-০৭) অগ্রগতি আৰু সফলতাৰ খতিয়ান ঃ

২০০৫-০৬ বৰ্ষত অসম চৰকাৰৰ বুনিয়াদ আঁচনিৰ দহলাখ টকাৰে Utility Building আৰু U. G.C Building Grant ৰ টকাৰে এটা আৰ. চি. চি. কোঠা নির্মাণৰ পাছত ২০০৬-০৭ বৰ্ষত বিশ্ববিদ্যালয় অনুদান আয়োগে পিছপৰা ঠাইত স্থাপন কৰা মহাবিদ্যালয়লৈ আগবঢ়োৱা অনুদান আঁচনিৰ অধীনত পোৱা দহলাখৰ টকাৰ দুই লাখ সত্তৰ হাজাৰ টকাৰ গ্রন্থ, ষাঠি হাজাৰমান টকাৰ আলমাৰী আৰু বুকচেল্ফ্ ক্রয় কৰা হয়। বাকী টকা দুটা জেনেৰেটৰ, এটা এল. চি. ডি. প্রজেক্টৰ, তিনিটা কম্পিউটাৰ, পৰীক্ষাগাৰ সজুলি আদি কিনা, মহাবিদ্যালয়ৰ চৌহদ বেৰা আদিত ব্যয় কৰা হৈছে। ছাত্র-ছাত্রীয়ে ৰেহাই মূল্যত জেৰক্স কৰাৰ সুবিধা পায়। তদুপৰি ছাত্র-ছাত্রীৰ উপৰি বাহিৰৰ ব্যক্তিৰ বাবে ৰেহাই মূল্যত 'Spirl Binding'ৰ সুবিধা দিয়া হৈছে। Girls' Hostel ৰ নির্মাণৰ কাম পূর্ণগতিত চলি আছে। অতি কম সময়ৰ ভিতৰতে ই সম্পূর্ণ হৈ উঠিব। কলেজ কেন্টিনৰ সম্প্রসাৰণৰ কামো চলি আছে।

## ২০০৬-০৭ শিক্ষাবৰ্ষৰ শিক্ষাসদী আৰু অন্যান্য কাম-কাজ

উচ্চ শিক্ষাৰ ক্ষেত্ৰ হিচাপে মহাবিদ্যালয়খনে ছাত্র-ছাত্রীক পাঠদান কৰাৰ উপৰি অন্যান্য শিক্ষাসদী কাম-কাজ কৰি আহিছে। বিগত বৰ্ষত মহাবিদ্যালয়ৰ চাৰিজন শিক্ষকে বিভিন্ন বিশ্ববিদ্যালয়ত পৰিশীলন পাঠ্যক্রম আৰু এজন শিক্ষকে অনুশীলন পাঠ্যক্রমত অংশ গ্রহণ কৰে। ২০০৬ চনৰ ১৬ অক্টোবৰ তাৰিখে মহাবিদ্যালয়ত প্রথম বাৰৰ বাবে "ড° বিৰিঞ্চি কুমাৰ বৰুৱা স্মাৰক বক্তৃতানুষ্ঠান" সফলতাৰে অনুষ্ঠিত হৈ যায়। অসম সাহিত্য সভাৰ প্রাক্তন সভাপতি ড° নগেন শইকীয়াদেৱে এই বক্তৃতা প্রদান কৰে। ২৮/৫/০৭ তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ ৰীডাৰ ড° অশোক কুমাৰ বৰাই মহাবিদ্যালয়ৰ শিক্ষকসকলৰ আগত 'গৱেষণা প্রণালী' শীর্ষক এটি বক্তৃতা দিয়ে। ভূগোল আৰু শিক্ষা বিভাগে বিভাগীয় আলোচনাচক্র অনুষ্ঠিত কৰে। অঞ্চলৰ বহু শিক্ষানুষ্ঠান আৰু সংগঠনৰ সহযোগত বিশিষ্ট শিক্ষাবিদ শ্রীযুত লীলা বৰকাকতিদেৱক সম্বর্ধনা জনোৱা হয়। 'ফল-মূল আৰু খাদ্য সংৰক্ষণ' সম্পৰ্কীয় এটি সপ্তাহযোৰা প্রশিক্ষণ আৰু 'যোগ প্রশিক্ষণ' এটিও মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয়ে নলবাৰী মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ মহা

বিদ্যালয় যুৱ-মহোৎসৱত যোগদান কৰি ক্ৰীড়া বিভাগত কেইবাটাও সোণ আৰু ৰূপক পদক জয় কৰি আনে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ভূপেন শইকীয়াদেৱে 'Land and water management of Sonitpur District for sustainable development and role of different agencies' শীৰ্ষক Minor Research Project ৰ কাম চলাই থকাৰ উপৰি যোৰহাটৰ জে.বি. কলেজত অনুষ্ঠিত হোৱা আলোচনা চক্ৰত 'Implementation of best practices in Library and Information Services in the Colleges of Nagaon District' শীৰ্ষক গৱেষণা পত্ৰ পাঠ কৰে। তেখেতে লিখা 'উপত্যকাত এজাক ধুমুহা' উপন্যাসৰ বাবে শোণিতপুৰ জিলা সাহিত্য সভাই 'পদ্মনাথ গোহাঞি বৰুৱা বঁটা' প্ৰদান কৰে। স্নাতক ২য় বৰ্ষৰ ছাত্ৰী-ছাত্ৰীসকলক পৰিৱেশৰ ক্ষেত্ৰভিত্তিক অধ্যয়নৰ বাবে বিভিন্ন ঠাইলৈ লৈ যোৱা হয় আৰু লগতে ৰাইজৰ মাজত পৰিৱেশ সম্পৰ্কে সজাগ হ'বলৈ প্ৰচাৰ চলোৱা হয়। Women Forum আৰু Women cell য়ে ১ জুনত International Children day-অত শ্ৰীমন্ত শঙ্কৰ মিছনৰ অনাথ আশ্ৰমত দুপৰীয়াৰ এসাজ আহাৰ দান কৰে।

## চলিত বৰ্ষৰ অন্যান্য পৰিকল্পনা

মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ উদ্যোগত ২৪ আৰু ২৫ আগষ্ট, ০৭ তাৰিখে দুদিনীয়াকৈ এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। বিশ্ববিদ্যালয় অনুদান আয়োগে ইয়াৰ বাবে অৰ্থ সাহায্য আগবঢ়াব। এটি স্থায়ী প্ৰেক্ষাগৃহৰ অভাৱ অনুভৱ কৰি চাহ ব'ৰ্ডৰ ওচৰত অৰ্থ সাহায্যৰ বাবে আবেদন কৰা হৈছে। চাহ বৰ্ডে ইতিবাচক সঁহাৰি জনালে মহাবিদ্যালয়ৰ এটা ডাঙৰ অভাব পূৰণ হ'ব।

*মহাবিদ্যালয় পৰিচালনা সমিতি*

*সভানেত্ৰী ঃ*

*শ্ৰীযুতা চিত্ৰলেখা ফুকন*

*সম্পাদক ঃ*

*ড° ভূপেন শইকীয়া* (অধ্যক্ষ, ড° বি.কু.ব. মহাবিদ্যালয়)

*সদস্য ঃ-*

শ্ৰীযুত মহেন্দ্ৰ আহোম
শ্ৰীযুত শৰৎ চন্দ্ৰ খাউণ্ড
শ্ৰীযুত যোগানন্দ গোস্বামী
ডাঃ মোজতাহিদ হাজৰিকা
শ্ৰীমতী তৰা শইকীয়া
শ্ৰীযুত নৃপেন্দ্ৰ কুমাৰ শৰ্মা
শ্ৰীমতী মামনি মহান্তি শইকীয়া
মঃ কুতুব উদ্দিন আহমদ

*ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়*
*অধ্যক্ষৰ দ্বাৰা প্ৰকাশিত*